**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-04-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। ২০৩০ চনৰ ভিতৰত ভাৰতৰ প্ৰতিৰক্ষা ৰপ্তানিৰ পৰিমাণ ৫০ হাজাৰ কোটি টকা স্পৰ্শ কৰিব বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে বিশ্বাস ব্যক্ত কৰিছে।

২। বিগত ১০ বছৰত দেশৰ বৈদ্যুতিন সামগ্ৰীৰ নিৰ্মাণ ৫ গুণ বৃদ্ধি হৈছে বুলি ইলেকট্ৰনিকছ্ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

৩। নতুন দিল্লীত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন অনুষ্ঠানত দিয়া ভাষণৰ সংকলন- সংস্কৃতি কা পঞ্চ অধ্যায় শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰা হয়।

৪। সংযুক্ত প্ৰৱেশ পৰীক্ষা জে ই ইৰ মূল পৰীক্ষাৰ ফলাফলসমূহ আজি ঘোষণা কৰা হ'ব। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালি নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হোৱা এখন খেলত পাঞ্জাব কিংছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৫ উইকেটত পৰাজিত কৰে।

ooooo

২০৩০ চনৰ ভিতৰত ভাৰতৰ প্ৰতিৰক্ষা ৰপ্তানিৰ পৰিমাণ ৫০ হাজাৰ কোটি টকা স্পৰ্শ কৰিব বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে বিশ্বাস ব্যক্ত কৰিছে। মহাৰাষ্ট্ৰ চত্ৰপতি সম্ভাজী নগৰত আয়োজিত **মাৰাঠৱাড়া- আত্মনিৰ্ভৰ ভাৰত কী ৰক্ষা ভূমি** শীৰ্ষক আলোচনাত অংশ লৈ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে।

মোদী চৰকাৰৰ সাফল্যৰ বিষয়ে আলোকপাত কৰি শ্ৰীসিঙে কয়, যে বৰ্তমান চৰকাৰৰ কাৰ্যকালত প্ৰতিৰক্ষা ৰপ্তানি ৪০ গুণ বৃদ্ধি পাইছে। তেওঁ কয়, যে ২০১৪ চনত ভাৰতৰ প্ৰতিৰক্ষা ৰপ্তানিৰ পৰিমাণ ৬০০ কোটি টকা আছিল আৰু বৰ্তমান এই পৰিমাণ ২৪ হাজাৰ কোটি টকালৈ বৃদ্ধি পাইছে। কালিৰ এই অনুষ্ঠানত ৰাজস্থানৰ ৰাজ্যপাল হৰিভাও বাগড়ে আৰু মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবিছো উপস্থিত আছিল। শ্ৰীফাড়নাবিছে কয়, যে দিল্লী-মুম্বাই ঔদ্যোগিক কৰিডৰ সম্প্ৰসাৰণ বাবে অতিৰিক্ত ৮ হাজাৰ একৰ ভূমি অধিগ্ৰহণ কৰা হ'ব। আলোচনাৰ পাছত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে বীৰ শিৰোমণি মহাৰাণা প্ৰতাপৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে।

ooooo

বিগত ১০ বছৰত দেশৰ বৈদ্যুতিন সামগ্ৰীৰ নিৰ্মাণ ৫ গুণ বৃদ্ধি হৈছে বুলি ইলেকট্ৰনিকছ্ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। হাৰিয়ানাৰ গুৰুগ্ৰামৰ মানেশ্বৰত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীবৈষ্ণৱে কয়, যে মেক-ইন-ইণ্ডিয়াম উদ্যমৰ বাবে বৈদ্যুতিন সামগ্ৰীৰ নিৰ্মাণ খণ্ডত চকুত লগা এই বৃদ্ধি দেখিবলৈ পোৱা হৈছে। বিগত ১০ বছৰত বৈদ্যুতিন সামগ্ৰীৰ ৰপ্তানি ৬ গুণ বৃদ্ধি পাই ৩ লাখ ২৫ হাজাৰ কোটি টকা অতিক্ৰম কৰিছে বুলিও তেওঁ লগতে প্ৰকাশ কৰে। শ্ৰীবৈষ্ণৱে লগতে কয়, যে এই খণ্ডটোত বৰ্তমান প্ৰায় ২৫ লাখ লোক নিয়োজিত হৈ আছে। শেহতীয়াকৈ চৰকাৰে বৈদ্যুতিন উপাদান নিৰ্মাণ

আঁচনিত অনুমোদন দিছে আৰু ইয়ে পৰিৱেশ অনুকূল বৈদ্যুতিন সামগ্ৰী নিৰ্মাণখণ্ডৰ অধিক শক্তিশালী কৰাৰ লগতে নতুন নিয়োগৰ সুযোগ প্ৰদান কৰিব।

শ্ৰীবৈষ্ণৱে কয়, যে সামগ্ৰীৰ মান আৰু এইসমূহত ব্যৱহৃত সুৰক্ষা ব্যৱস্থাৰ বাবে দেশৰ বৈদ্যুতিন সামগ্ৰীৰ উৎপাদন খণ্ডত সমগ্ৰ বিশ্বৰ বিশ্বাস আৰু আস্থা বৃদ্ধি পাইছে। সামগ্ৰীসমূহৰ আৰ্হি, নিৰ্মাণ, দক্ষতা আৰু বিশ্বাসযোগ্য উদ্ভাৱনৰ ক্ষেত্ৰত দেশৰ সংহত প্ৰচেষ্টাই শীঘ্ৰেই এইক্ষেত্ৰত ভাৰতে বিশ্বক নেতৃত্বত দিবলৈ সমৰ্থ হ'ব বুলিও তেওঁ লগতে উল্লেখ কৰে।

ooooo

নতুন দিল্লীত কালি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন অনুষ্ঠানত দিয়া ভাষণৰ সংকলন- **সংস্কৃতি কা পঞ্চ অধ্যায়** শীৰ্ষক এখন গ্ৰন্থ  উন্মোচন কৰা হয়। জুনা আখাৰাৰ মুৰববী আচাৰ্য মহামন্দেলেশ্বৰ স্বামী অৱদেশানন্দ গিৰিয়ে এই গ্ৰন্থখন উন্মোচন কৰে। এই উপলক্ষে আয়োজিত সভাত সভাপতিত্ব কৰি ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশে দেশৰ সংস্কৃতি-পৰম্পৰা, আধ্যাত্মিক মূল্যবোধ আৰু আৰু সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত শ্ৰীমোদীৰ প্ৰচেষ্টাৰ শলাগ লয়। প্ৰধানমন্ত্ৰীৰ ভাষণৰ মূল অংশসমূহৰ উদাহৰণ দি তেওঁ কয়, যে এই গ্ৰন্থখনে দেশৰ সংস্কৃতি সংৰক্ষণৰ প্ৰতি শ্ৰীমোদীৰ দায়বদ্ধতা আৰু দেশৰ শতিকাজোৰা পৰম্পৰা ৰক্ষাৰ ক্ষেত্ৰত তেওঁৰ দৃষ্টিভংগীক প্ৰতিফলিত কৰে।

ooooo

যোৱা ১১ এপ্ৰিলত অন্ত পৰা সপ্তাহত ভাৰতৰ বৈদেশিক মুদ্ৰাৰ পৰিমাণ ১৫৬ কোটি ডলাৰ বৃদ্ধি হৈ ৬৭ হাজাৰ ৭৮০ কোটি ডলাৰতকৈও অধিক হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে প্ৰকাশ কৰা সাপ্তাহিক পাৰিসংখ্যিক তথ্য অনুসৰি যোৱা সপ্তাহত ভাণ্ডাৰৰ এটা প্ৰধান উপাদান বিদেশী মুদ্ৰাৰ পৰিমাণ ৮৯২ নিযুত ডলাৰ বৃদ্ধি হৈ প্ৰায় ৫ হাজাৰ ৭৫০ কোটি ডলাৰ হয়গৈ। সোণৰ ভাণ্ডাৰ ৬৩৮ নিযুত ডলাৰ বৃদ্ধি হৈ ৭ হাজাৰ ৯৯৯ কোটি ডলাৰলৈ বৃদ্ধি পাইছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে কালি বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত সচিব নিযুক্তি দিছে। অৰবিন্দ শ্ৰীবাস্তৱক বিত্ত মন্ত্ৰালয়ৰ ৰাজহ সচিব হিচাপে নিযুক্তি দিয়া হৈছে। বৰ্তমান তেওঁ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ত অতিৰিক্ত সচিব হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ত সঞ্চালক প্ৰধান হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সমীৰ কুমাৰ সিনহাক অসামৰিক বিমান পৰিবহন বিভাগৰ সচিব হিচাপে নিযুক্তি দিয়া হৈছে। বৰ্তমান বৈদেশিক বাণিজ্যৰ সঞ্চালক প্ৰধান হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সন্তোষ কুমাৰ চাৰঙ্গিক নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰালয়ৰ সচিব হিচাপে নিযুক্তি দিয়া হৈছে। নিকুঞ্জ বিহাৰী ঢালক সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব হিচাপে নিযুক্তি দিয়া হৈছে।

ooooo

শ্ৰীমদভাগৱত গীতা আৰু ভৰত মুনিৰ নাট্য শাস্ত্ৰক ইউনেস্কোৰ বিশ্ব স্মৃতি পঞ্জীয়নত অন্তৰ্ভুক্ত কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱতে সামাজিক মাধ্যমত এই সন্দৰ্ভত প্ৰকাশ কৰা এটা বাৰ্তাৰ প্ৰতি সঁহাৰি জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিষয়টোক লৈ সন্তুষ্টি প্ৰকাশ কৰে। শ্ৰী মোদীয়ে ইয়াৰ জৰিয়তে ভাৰতৰ শাশ্বত জ্ঞান আৰু বৰ্ণাঢ্য সংস্কৃতিয়ে বিশ্বত স্বীকৃতি লাভ কৰিলে বুলি মন্তব্য কৰে। তেওঁ লগতে কয়, যে গীতা আৰু নাট্য শাস্ত্ৰই শতিকাজুৰি ভাৰতীয় সভ্যতাক উদ্বুদ্ধ কৰি আহিছে আৰু এই গ্ৰন্থ দুখনত নিহিত থকা শিক্ষা তথা দৰ্শনে জনসাধাৰণক অনুপ্ৰাণিত কৰি আহিছে।

০০০০০

ব্ৰিকছ কৃষিমন্ত্ৰীসকলৰ পঞ্চদশ বৈঠকত ভাৰতে সামগ্ৰীক, ন্যায়সংগত আৰু স্থায়ী কৃষিৰ বাবে ইয়াৰ প্ৰতিশ্ৰুতিবদ্ধতা দোহাৰিছে। ব্ৰাজিলত অনুষ্ঠিত এই বৈঠকত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে ক্ষুদ্ৰ খেতিয়কসকলৰ সুৰক্ষা আৰু সবলীকৰণ অবিহনে গোলকীয় খাদ্য সুৰক্ষাৰ লক্ষ্যত উপনীত হ'ব পৰা নাযায়। তেওঁ কয়, যে ভাৰতৰ বাবে মহিলাসকলৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সবলীকৰণ হৈছে- এটা অভিযান। মন্ত্ৰীগৰাকীয়ে ক্ষুদ্ৰ আৰু উপান্ত কৃষকসকলৰ কল্যাণৰ প্ৰয়োজন সন্দৰ্ভতো আলোকপাত কৰে। তেওঁ কয়, যে ভাৰতৰ বাবে কৃষি কেৱল অৰ্থনৈতিক কাৰ্যই নহয়, বৰং ই হৈছে কোটি কোটি পৰিয়ালৰ খাদ্য, মৰ্যাদা আৰু জীৱনধাৰণৰ প্ৰধান উৎস। বিশ্বৰ ৫১০ মিলিয়ন ক্ষুদ্ৰ খেতিয়কক গোলকীয় খাদ্য ব্যৱস্থাৰ মেৰুদণ্ডস্বৰূপ বুলিও তেওঁ অভিহিত কৰে। বৈঠকত শ্ৰীচৌহানে অহা পহিলা মে'ৰ পৰা হ'বলগীয়া বিশ্ব দৃশ্য-শ্ৰাব্য মনোৰঞ্জন সন্মিলন আৰু ছেপ্তেম্বৰ হ'বলগীয়া ভাৰত বিশ্ব খাদ্য সন্মিলনত অংশগ্ৰহণৰ বাবে ব্ৰিকছ ৰাষ্ট্ৰসমূহক আমন্ত্ৰণ জনায়।

০০০০০

সংযুক্ত প্ৰৱেশ পৰীক্ষা জে ই ইৰ মূল পৰীক্ষাৰ ফলাফলসমূহ আজি ঘোষণা কৰা হ'ব। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই এটা বিবৃতিযোগে জনাইছে যে ফলাফলসমূহ জে ই ইৰ ৱেবছাইট jeemain.nta.nic.in.ত উপলব্ধ হ'ব। ২০২৪ বৰ্ষৰ জে ই ই পৰীক্ষাৰ ফলাফল কাট অৱ নম্বৰৰ সৈতে ঘোষণা কৰা হ'ব। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই এই বছৰৰ ২ৰ পৰা ৯ এপ্ৰিললৈ এই পৰীক্ষা অনুষ্ঠিত কৰিছিল।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালি নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হোৱা এখন খেলত পাঞ্জাব কিংছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৫ উইকেটত পৰাজিত কৰে। বৰষুণৰ বাবে খেলখন ১৪ অভাৰত সীমিত ৰাখিবলগীয়া হয়। পাঞ্জাব কিংছে ৯৬ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৫ উইকেটৰ বিনিময়ত ১১টা বল খেলিবলৈ বাকী থকা অৱস্থাত বিজয় লক্ষ্য অতিক্ৰম কৰে। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বেট ধৰি সীমিত ১৪ অভাৰত ৯টা উইকেট হেৰুৱাই ৯৫ ৰাণ সংগ্ৰহ কৰে। বেংগালুৰুৰ হৈ টিম ডেভিদে ২৬টা বলত ৫০ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। নেহাল ৱাধেৰাই ১৯টা বলত ৩৩ ৰাণ কৰে। পাঞ্জাবৰ হৈ অৰ্শ্বদীপ সিং, মাৰ্কো জনছেন, য়ুজুবেন্দ্ৰ চাহল আৰু হৰপ্ৰীত ব্ৰাৰে দুটাকৈ উইকেট দখল কৰাৰ লগতে জছ হেজেলউদে ৩টা উইকেট লাভ কৰে। টিম ডেভিডক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি আহমেদাবাদত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। আজিৰ আন এখন খেলত সন্ধিয়া চাৰে ৭ বজাত জয়পুৰত ৰাজস্থান ৰয়েলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ মুখামুখি হ'ব।

০০০০০

কুৱালালামপুৰত চলি বিশ্ব স্কোৱাছ চেম্পিয়নশ্বিপৰ এছিয়া যোগ্যতা নিৰূপণকাৰী খেলত ভাৰতৰ তাৰকা খেলুৱৈ বীৰ চত্ৰানী, **অনাহত** সিং আৰু আকাংক্ষা ছলুংখেই ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। পুৰুষৰ শিতানত দ্বিতীয় বাছনিৰ চত্ৰানীয়ে ঘৰুৱা দেশখনৰ ষষ্ঠ বাছনিৰ খেলুৱৈ মহম্মদ ছফিক কামালক ৯-১১, ১১-৬, ১১-৬, ১১-৭ ফলাফলত পৰাস্ত কৰে। মহিলাৰ কোৱাৰ্টাৰ ফাইনেলত ১৭ বছৰীয়া পঞ্চম বাছনিৰ খেলুৱৈ **অনাহতে** জাপানৰ আকাৰি মিড'ৰিকাৱাক ১১-১, ১১-৭, ১১-৫ ফলাফলত পৰাস্ত কৰে।

আজি হ'বলগীয়া ছেমি ফাইনেলত **অনাহতে** হংকঙৰ ষষ্ঠ বাছনিৰ খেলুৱৈ হেলেন টেঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দেশৰ আন এগৰাকী খেলুৱৈ আকাংক্ষা ছলুংখেই ছিংগাপুৰৰ ৰেই ইহান অউ ইয়ঙক ১১-০, ১১-৩, ১১-৩ ফলাফলত পৰাস্ত কৰি ছেমি ফাইলেত প্ৰৱেশ কৰে। ছেমি ফাইনেলত আকাংক্ষাই হংকঙৰ টবি চেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই প্ৰতিযোগিতাৰ বিজয়ীসকলে অহা ৯ৰ পৰা ১৭ মে'লৈ চিকাগোত হ'বলগীয়া বিশ্ব চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰাৰ বাবে যোগ্যতা অৰ্জন কৰিব।

ooooo

চৌদি আৰৱৰ ডাম্মামত অনুষ্ঠিত ১৮ বছৰ অনূৰ্ধৰ এছিয়ান এথলেটিকছ্ চেম্পিয়নশ্বিপৰ পুৰুষ জেভলিন থ্ৰ'ত ভাৰতৰ হিমাংশু জাখাৰে দেশৰ হৈ প্ৰথমটো সোণৰ পদক অৰ্জন কৰি অভিলেখ ৰচনা কৰিছে। খেলুৱৈগৰাকীয়ে ৬৭ দশমিক ৫-৭ মিটাৰলৈ যাঠি দলিয়াই এই খিতাপ অৰ্জন কৰে। জাখাৰৰ এই ঐতিহাসিক সাফল্যৰ জৰিয়তে প্ৰতিযোগিতাত ভাৰতে বৰ্তমানলৈকে এটা সোণ, ৫টা ৰূপ আৰু ৫টা ব্ৰঞ্জৰ পদক লাভ কৰিছে।

পুৰুষৰ হাই জাম্পত দেৱক ভূষণে ৰূপৰ পদক অৰ্জন কৰিছে। মহিলাৰ ২০০ মিটাৰ দৌৰত আৰতীয়ে আন এটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ পূৰ্বে খেলুৱৈগৰাকীয়ে ১০০ মিটাৰ দৌৰ শিতানতো ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

ooooo

সমাপ্ত